**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**HEADLINES**

১। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰাৰ লগে লগে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ।

২। সমাগত লোকসভা নিৰ্বাচনত প্ৰবাসী ভাৰতীয়ক ভোটদান কৰিবলৈ দেশৰ নিৰ্বাচন আয়োগৰ আহ্বান।

৩। অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীৰ, ধুবুৰীৰ আন্তৰাষ্ট্ৰীয় সীমান্তৰ পৰা সন্ত্ৰাসবাদী সংগঠন আই এছ আই এছৰ ভাৰতত থকা মুৰববী হেৰিছ ফাৰুকী আৰু তেওঁৰ এজন সহযোগীক গ্ৰেপ্তাৰ।

৪। ৰিজাৰ্ভ বেংকৰ, চৰকাৰী লেন-দেনৰ সৈতে জড়িত সকলো বেংকৰ শাখাসমূহ ৩১ মাৰ্চ, দেওবাৰে খোলা ৰখাৰ পৰামৰ্শ। ***আৰু***

৫। নাগালেণ্ডত হৈ থকা উত্তৰ-পূব ক্ৰীড়া ২০২৪ৰ দ্বিতীয় দিনালৈ ১১টা সোণৰ পদক সহ মুঠ ৩৫টা পদকেৰে তৃতীয় স্থানত অসম।

০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে কালি অধিসূচনা জাৰি কৰাৰ লগে লগে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই পৰ্যায়ত দেশৰ ১৭ খন ৰাজ্য আৰু ৪টা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২টা সমষ্টিক সামৰি লোৱা হ'ব। এই পৰ্যায়ৰ বাবে ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব।প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ২৭ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। ২৮ মাৰ্চত প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব ৩০ মাৰ্চ। অৱশ্যে বিহাৰৰ ক্ষেত্ৰত ২৮ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন ধাৰ্য কৰা হৈছে। ৰাজ্যখনত ৩০ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ বিপৰীতে মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন হ'ব ২ এপ্ৰিল। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ হ'বলগীয়া চিকিম আৰু অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ বাবেও অধিসূচনা জাৰি কৰা হৈছে। দুয়োখন ৰাজ্যতে ১৯ এপ্ৰিলত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু ২ জুনত ভোট গণনা কৰা হ'ব।

অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ কালি প্ৰথমদিনা কোনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰা নাই। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত ৰাজ্যত প্ৰথমবাৰৰ বাবে লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

সমাগত লোকসভা নিৰ্বাচনত প্ৰবাসী ভাৰতীয়সকলক ভোটদান কৰিবলৈ দেশৰ নিৰ্বাচন আয়োগে আহ্বান জনাইছে। আয়োগে প্ৰবাসী ভাৰতীসকলে কেনেদৰে ভোটদান কৰিব পাৰিব সেই বিষয়েও সবিশেষ প্ৰকাশ কৰিছে। যিসকল ভাৰতীয় নাগৰিকে কৰ্মসংস্থাপন অথবা শিক্ষাৰ বাবে আন কোনো দেশৰ নাগৰিকত্ব গ্ৰহণ নকৰাকৈ বিদেশত আছে তেনে ভাৰতীয় নাগৰিকে লোকসভা নিৰ্বাচনত ভোটদান কৰিব পাৰিব। তাৰ বাবে তেওঁলোকে অনলাইনযোগে voterportal.eci.gov.inত প্ৰয়োজনীয় নথি আৰু প্ৰমাণসহ Six-A পপত্ৰ পুৰণ কৰি ভোটদানৰ বাবে আবেদন জনাব পাৰিব। বুথ পৰ্যায়ৰ বিষয়াই নিৰ্ধাৰিত ঠিকনাত উপস্থিত হৈ তেনে ভাৰতীয় নাগৰিকৰ পাছপোৰ্ট তথা দাখিল কৰা তথ্য প্ৰত্যায়িত কৰিব। এই ক্ষেত্ৰতকিবা শুধৰণি থাকিলে Form-Eight ৰ জৰিয়তে শুধৰণি কৰিব পাৰে। প্ৰবাসী ভাৰতীয়ই ভোটকেন্দ্ৰত তেওঁলোকৰ পাছপোৰ্ট দেখুৱাই ভোটদান কৰিব পাৰিব।

০০০০০

নিৰ্বাচন আয়োগে দেশৰ লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছতে নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে।

গোলাঘাট জিলাত নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে কালি প্ৰিজাইডিং বিষয়া তথা পোলিং বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। জিলাখনৰ দেৱৰাজ ৰয় মহাবিদ্যালয়, হেমপ্ৰভা বৰবৰা মহিলা মহাবিদ্যালয় আৰু গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত ৪০০ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ৪০০ গৰাকী পোলিং বিষয়াই অংশগ্ৰহণ কৰে। ইপিনে, মাজুলী জিলাৰ প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলক নিৰ্বাচন প্ৰক্ৰিয়া সুচাৰুৰূপে চলাবৰ বাবে কালিৰে পৰা আউনিআটি হেমচন্দ্ৰ বিদ্যালয়ত প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। প্ৰথম পৰ্যায়ৰ এই প্ৰশিক্ষণত ৩৯৮ গৰাকী প্ৰিজাইডিং আৰু পোলিং বিষয়াৰ লগতে ৩৩ গৰাকী খণ্ড বিষয়াই অংশগ্ৰহণ কৰিছে।

কামৰূপ মহানগৰ জিলা প্ৰশাসনে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিছে। নিৰ্বাচনী আচৰণ বিধি উলংঘাকাৰীসকলৰ বিৰুদ্ধে অভিযোগ দিয়াৰ বাবে এই নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। তদুপৰি যিকোনো ব্যক্তিয়ে ১৯৫০ টোল ফ্ৰী নম্বৰত সংযোগ স্থাপন কৰি ওজৰ-আপত্তি দিব পাৰিব। একেদৰে নিৰ্বাচনী বিধি সন্দৰ্ভত কিবা জানিব লগা থাকিলে ০৩৬১-৪০৮৪৯৭৫ নম্বৰত যোগাযোগ কৰিব পাৰিব। অভিযোগকাৰীয়ে নিৰ্বাচনী আচৰণ বিধি উলংঘন সম্পৰ্কীয় অভিযোগ তাৎক্ষণিকভাৱে নিষ্পত্তি কৰিবলৈ **ছি-ভিজিল এপ** ডাউনলোড কৰি যিকোনো ফটো অথবা ভিডিঅ' আপলোড কৰিব পাৰিব। নিৰ্বাচন আয়োগৰ **সুবিধা এপ**ৰ জৰিয়তেও প্ৰাৰ্থীসকলৰ নিৰ্বাচন সংক্ৰান্তীয় তথ্য লাভ কৰিব পাৰিব।

লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যোৰহাট জিলাতো কালি ৪৮৭ গৰাকী বিষয়াক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। নিৰ্বাচনৰ সময়ছোৱাত  কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ নহ'বলৈ তিতাবৰ, মৰিয়নি, অসম-নাগালেণ্ড সীমান্তত পহৰাৰ ব্যৱস্থা কৰা হৈছে।

নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে ৰাজ্যৰ ভিন্ন জিলাৰ লগতে কৰিমগঞ্জতো নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈছে। জিলা প্ৰশাসনে কৰিমগঞ্জ চহৰৰ বিভিন্ন স্থানৰ পৰা ৰাজনৈতিক দলৰ সকলো ধৰণৰ পোষ্টাৰ  আঁতৰোৱাৰ কাম অব্যাহত ৰাখিছে।

০০০০০

নিৰ্বাচন আয়োগে ৰে'লৱেজ আৰু বিমান বন্দৰৰ লেখীয়া  চৰকাৰী সম্পত্তিসমূহৰ পৰা সকলোবোৰ অকৰ্তৃত্বশীল ৰাজনৈতিক পোষ্টাৰ শীঘ্ৰেই আঁতৰাবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত চৰকাৰসমূহক নিৰ্দেশ দিছে। এখন পত্ৰযোগে আয়োগে কৈছে যে, দেশৰ বিভিন্ন প্ৰান্তত এতিয়াও বহুতো অকৰ্তৃত্বশীল ৰাজনৈতিক বিজ্ঞাপন আদি প্ৰদৰ্শিত হৈ থকা বুলি বিভিন্ন পক্ষৰ পৰা তেওঁলোকে অভিযোগ লাভ কৰিছে। সেয়েহে আয়োগে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ এনেধৰণৰ সকলোবোৰ বিজ্ঞাপন ততালিকে আঁতৰাবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত চৰকাৰসমূহক নিৰ্দেশ দিছে। আয়োগে লগতে আজি সন্ধিয়া ৫ বজাৰ ভিতৰত এই সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিছে।

০০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে কালি ধুবুৰীৰ আন্তৰাষ্ট্ৰীয় সীমান্তৰ পৰা সন্ত্ৰাসবাদী সংগঠন আই এছ আই এছৰ ভাৰতত থকা মুৰব্বী হেৰিছ ফাৰুকী আৰু তেওঁৰ এজন সহযোগীক গ্ৰেপ্তাৰ কৰে। সীমান্ত পাৰ কৰিবলৈ চেষ্টা কৰা অৱস্থাত ধৰ্মশালা এলেকাৰ পৰা সন্ত্ৰাসবাদী ফাৰুকীৰ লগতে সহযোগী অনুৰাগ সিঙক গ্ৰেপ্তাৰ কৰি গুৱাহাটীৰ অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীৰ কাৰ্যালয়লৈ অনা হয়। ভাৰতত আইচিচৰ কাৰ্যকলাপ বৃদ্ধি আৰু সন্ত্ৰাসবাদী সংগঠনত সদস্যভৰ্তিৰ উদ্দেশ্যে এই সন্ত্ৰাসবাদী দুটাই কাম কৰি আছিল বুলি আৰক্ষী সূত্ৰই এটা বিবৃতিযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে অসম আৰক্ষীয়ে সন্ত্ৰাসবাদী সংগঠন আইচিচৰ দুজন শীৰ্ষস্থানীয় নেতাই ধুবুৰীৰ সমীপত গোপনে কাৰ্যকলাপ চলাই থকা বুলি গোপন সূত্ৰৰ পৰা তথ্য লাভ কৰিছিল। এই তথ্যৰ ভিত্তিতেই বিশেষ কাৰ্যবাহিনীৰ আৰক্ষী মহাপৰিদৰ্শক পাৰ্থসাৰথি মহন্তৰ নেতৃত্বত দলটোৱে এই সন্ত্ৰাসবাদী দুটাক কৰায়ত্ত কৰিবলৈ সমৰ্থ হয়। কেন্দ্ৰীয়

তদন্তকাৰী সংস্থা এন আই এ এই সন্ত্ৰাসবাদী দুটাৰ সন্ধানত আছিল। অসম আৰক্ষীয়ে সন্ত্ৰাসবাদী দুটা এন আই এ-ৰ হাতত গতাই দিয়াৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া ভূটান ভ্ৰমণসূচী প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত বাতিল কৰা হৈছে। বিদেশ মন্ত্ৰ্যালয়ে কৈছে যে, এই ভ্ৰমণসূচীৰ পৰৱৰ্তী দিন চূড়ান্ত কৰাৰ সন্দৰ্ভত দুই পক্ষৰ মাজত কূটনৈতিক আলোচনা চলি আছে।

00000

ৰিজাৰ্ভ বেংকে সকলো বেংকক চৰকাৰী লেন-দেনৰ সৈতে জড়িত শাখাসমূহ ৩১ মাৰ্চ, দেওবাৰে খোলা ৰখাৰ পৰামৰ্শ আগবঢ়াইছে। চৰকাৰী প্ৰাপ্তি আৰু ধনাদায়ৰ সৈতে জড়িত সকলো বেংকক ৩১ মাৰ্চত লেন-দেন খোলা ৰখাৰ বাবে চৰকাৰে অনুৰোধ জনোৱাৰ পৰিপ্ৰেক্ষিতত এই পৰামৰ্শ আগবঢ়োৱা হৈছে। ৰিজাৰ্ভ বেংকে ৩১ মাৰ্চৰ দিনটোত উপলভ্য বেংকিং সেৱাৰ বিষয়ে প্ৰচাৰ কৰিবলৈও নিৰ্দেশ দিছে।00000

00000

বৰপেটাৰ বৰ্তমানৰ সাংসদ আব্দুল খালেকে কংগ্ৰেছ দলৰ সদস্য পদ ত্যাগ কৰা বুলি কংগ্ৰেছ শীৰ্ষ নেতৃত্বলৈ প্ৰেৰণ কৰা পত্ৰ প্ৰত্যাহাৰ কৰিছে। সাংসদগৰাকীয়ে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ এখন পত্ৰযোগে তেওঁ দলটোতে থাকি সেৱা আগবঢ়াই যাব বুলি প্ৰকাশ কৰিছে। আব্দুল খালেকে ১৫ মাৰ্চত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু কংগ্ৰেছৰ ৰাজ্যিক তত্বাৱধায়কক এখন পত্ৰ যোগে দল ত্যাগৰ কথা প্ৰকাশ কৰিছিল। খাৰ্গেলৈ প্ৰেৰণ কৰা পত্ৰখনত এই কথা উল্লেখ কৰি কয় যে, দলত্যাগৰ পাছত কেন্দ্ৰীয় নেতৃত্ব তথা কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালৰ সৈতে হোৱা ফলপ্ৰসূ আলোচনাৰ অন্তত তেওঁ দলৰ সৈতে থাকি সেৱা আগবঢ়ায় যাব বুলি সিদ্ধান্ত লৈছে।

কংগ্ৰেছ দলৰ পৰাই দুবাৰৰ বিধায়ক তথা এবাৰ সাংসদ হোৱা আব্দুল খালেকে এইবাৰ নিৰ্বাচনত দলীয় প্ৰাৰ্থিত্ব নাপাই দলৰ নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি দল ত্যাগ কৰিছিল।

00000

নাগালেণ্ডত একমাত্ৰ লোকসভা আসনখনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া কালিৰে পৰা আৰম্ভ হৈছে। ৰাজ্যখনত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। নাগালেণ্ড সংসদীয় সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া সুশীল কুমাৰে কৈছে যে, কালি অধিসূচনা জাৰি কৰাৰ পিছত কোনো প্ৰাৰ্থী অথবা তেওঁৰ সমৰ্থকে ৰিটাৰ্ণিং বিষয়া বা সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ ওচৰত দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ অহা ২৭ মাৰ্চৰ ভিতৰত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব।

0000

শিৱসাগৰ জিলাত অসমীয়া মহিলা মঞ্চ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত অহা ২৬ আৰু ২৭ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। কাৰ্যসূচীৰ প্ৰথম দিনা দিনজোৱা দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আনহাতে, দ্বিতীয় দিনা শিৱসাগৰ নগৰৰ কালিপ্ৰসাদ সোঁৱৰণী ভৱনত ৰাজ্য চৰকাৰৰ দ্বাৰা সন্মানিত শিল্পী অমিয়া নেওগৰ নেতৃত্বত ৩০০ৰো অধিক মহিলাই দিহানাম পৰিৱেশন কৰিব।

00000

দৌল উৎসৱ উপলক্ষে অহা ২৬ মাৰ্চত কামৰূপ মহানগৰ জিলাত প্ৰশাসনে স্থানীয় বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে। সদৌ অসম জিলা পৰিষদ কৰ্মচাৰী সন্থা, দিগম্বৰ জৈন পঞ্চায়ত, পূৰ্বোত্তৰ প্ৰাদেশীয় সন্মিলন, আগৰৱালা সভা আৰু পূৰ্বোত্তৰ প্ৰাদেশীয় মাৰোৱাৰী যুৱ মঞ্চৰ আবেদনৰ পাছতে এটা নিৰ্দেশনাযোগে কামৰূপ মহানগৰ জিলা আয়ুক্তই এই বন্ধৰ কথা ঘোষণা কৰিছে। উল্লেখযোগ্য যে, সত্ৰনগৰী বৰপেটাত তিনিদিনীয়াকৈ দৌল উৎসৱ অনুষ্ঠিত হ'ব যদিও ৰাজ্যৰ আন প্ৰান্তত ২৫ আৰু ২৬ মাৰ্চত দৌল উৎসৱ তথা ফাঁকুৱা অনুষ্ঠিত হ'ব।

০০০০০

নাগালেণ্ডত অনুষ্ঠিত হৈ থকা উত্তৰ-পূব ক্ৰীড়া ২০২৪ত অসমে দ্বিতীয় দিনাও বিভিন্ন ক্ৰীড়াৰ প্ৰতিযোগিতাত পদক জয়েৰে আধিপত্য অব্যাহত ৰাখিছে। দ্বিতীয় দিনৰ অন্তত অসমে ১১টা সোণ, ১৬টা ৰূপ আৰু ৮টা ব্ৰঞ্জৰ পদক সহ মুঠ ৩৫টা পদকেৰে তৃতীয় স্থানত আছে। বুধবাৰে উশ্বু প্ৰতিযোগিতাত অসমৰ সাগৰ মেছ আৰু জয় দাসে ক্ৰমে পুৰুষৰ ৮০ কিলোগ্ৰাম আৰু ৫২ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰে। একেটা ক্ৰীড়া প্ৰতিযোগিতাতে মহিলা শাখাত বিজয়া ৰাভা, ৰৌছনি দেৱী, খাৰামদাও বসুমতাৰীয়ে ৰূপৰ পদক লাভ কৰে। আনহাতে উশ্বুতে মিলন লিম্বু আৰু সুনীল চিন্তেই ব্ৰঞ্জৰ পদক লাভ কৰে। শ্বট-পুটৰ মহিলা শাখাত ১০ দশমিক ৬-২ মিটাৰ নিলগলৈ দলিয়াই অসমৰ লাইমেন নাৰ্জাৰীয়ে সোণৰ পদক লাভ কৰে। ৯ দশমিক ৯-৬ মিটাৰ দৈৰ্ঘ্যৰে অসমৰ মধুস্মিতা নাথে দদ্বিতীয় স্থান লাভ কৰে। আনহাতে একেটা প্ৰতিযোগিতাতে পুৰুষৰ শাখাত মাধুৰ্য আৰন্ধৰাই ১২ দশমিক ৪-৭ মিটাৰ দলিয়াই ৰূপৰ পদক লাভ কৰে। টেবুল টেনিছ শাখাত অসমৰ মহিলা শাখাই সোণৰ পদক লাভ কৰাৰ লগতে প্ৰতিযোগিতাখনৰ পুৰুষৰ শাখাত অসম পুৰুষৰ দলটোৱে দ্বিতীয় স্থান লাভ কৰে। ৪০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত অসমৰ মুন্না কুমাৰ ব্ৰহ্ম আৰু মাইনু ধানৱাৰে সোণৰ পদক লাভ কৰে। মহিলাৰ ১০০ মিটাৰ ৰিলে দৌৰ প্ৰতিযোগিতাত পৰিস্মিতা দাস, দীক্ষা চেত্ৰী, অম্বিকা নাৰ্জাৰী আৰু ৰিম্পী বুঢ়াগোঁহাইৰ দলটোৱে সোণৰ পদক লাভ কৰে। আৰ্চাৰীত পুৰুষৰ ৫০ মিটাৰ ইভেণ্টত অৰুণ বড়োৱে সোণৰ পদক লাভ কৰাৰ লগতে ৰাজেশ নাৰ্জাৰীয়ে দ্বিতীয় স্থান লাভ কৰে।

প্ৰতিযোগিতাখনত ১৮ টা স্বৰ্ণ, ৮টা ৰূপ আৰু ১৩টা ব্ৰঞ্জৰ পদকসহ মুঠ ৩৯টা পদকেৰে নাগালেণ্ড শীৰ্ষ স্থানত থকাৰ বিপৰীতে ১২টা স্বৰ্ণ, ৯টা ৰূপ আৰু ১৩ টা ব্ৰঞ্জৰ পদকসহ মুঠ ৩৪টা পদকেৰে মণিপুৰ দ্বিতীয় স্থানত আছে।

০০০০০

ভাৰতৰ কিৰণ জৰ্জে চুইছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। জৰ্জে  কালি প্ৰথম ৰাউণ্ডৰ এখন খেলত জাপানৰ কাকুমা ওবায়াছিক ২১-১৮,২১-১৯ পোনপটীয়া গেমত পৰাস্ত কৰে। আন এগৰাকী ভাৰতীয় খেলুৱৈ প্ৰিয়াংশু ৰাজাৱাটেও হংকঙৰ লী চেউক য়িয়ুক২১-১২,২১-১৫ গেমত পৰাভূত কৰি প্ৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

ইয়াৰ পূৰ্বে ভাৰতৰ সতীশ কুমাৰ কৰুণাকৰণ আৰু আদয়া ৱৰিয়াথৰ যুটিটোৱে মালয়েছিয়াৰ ৰয় কিং য়াপ আৰু ৱ'লেৰী চিয়োক ২১-১৮, ১১-২১, ২১-১৯ গেমত পৰাজিত কৰি মিক্সড ডাবলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। পূৰ্বৰ চেম্পিয়ন কিদাম্বি শ্ৰীকান্ত আৰু লক্ষ্য সেনেও পুৰুষৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। শ্ৰীকান্ত আজি প্ৰি কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ জী জিয়া লীৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে লক্ষ্য সেন টাইৱানৰ চিয়া হছিন লীৰ সন্মুখীন হ'ব। ইপিনে, পি ভি সিন্ধু আজি মহিলাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত জাপানৰ টোকোমা মিয়াজাকিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদৰে মহিলাৰ ডাবলছত ভাৰতৰ তনিশা ক্ৰাষ্টো আৰু অশ্বিনী পোনাপ্পাৰ যুটিটো জাপানৰ ৰুই হিৰোকামি আৰু য়ুনা কাটোৰ বিৰুদ্ধে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰৱৰ্তন সঞ্চালকালয়ে বাৰে বাৰে পৰিপূৰক অভিযোগনামা দাখিল কৰাৰ লৈ উচ্চতম ন্যায়ালয়ৰ দুজনীয়া বিচাৰপীঠে অসন্তুষ্টি ব্যক্ত কৰাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ২০০৬ চনত মুম্বাইত সংঘটিত এটা ভুৱা এনকাউন্টাৰৰ গোচৰৰ শুনানিত বোম্বে উচ্চ ন্যায়ালয়ে এনকাউন্টাৰ বিশেষজ্ঞ প্ৰদীপ শৰ্মাক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰোহিংগীয়া অনুপ্ৰৱেশকাৰীৰ ভাৰতত সংস্থাপিত হোৱাৰ অধিকাৰ নাই বুলি কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ত শপতনামা দাখিলৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ছুইজাৰলেণ্ডৰ সংস্থা আই কিউ এয়াৰে

গুৱাহাটীক বিশ্বৰ দ্বিতীয় প্ৰদূষিত চহৰ আখ্যা দিয়াটো সম্পূৰ্ণ ভুৱা বুলি অসম প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডে প্ৰকাশ কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ ৱেলবিং ৰিচাৰ্চ চেন্টাৰে **১৪৩** খন দেশক সামৰি প্ৰকাশ কৰা বিশ্বৰ সুখী দেশৰ তালিকাত ফিনলেণ্ডে প্ৰথম স্থান দখলৰ বিপৰীতে ভাৰতে **১২৬** নম্বৰ স্থান লাভৰ বাতৰিক **দৈনিক জনমভূমি** আৰু  **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে এক জাননীৰ জৰিয়তে আগন্তুক লোকসভা নিৰ্বাচনত ভোটদানৰ বাবে ডাক বেলট ব্যৱহাৰৰ যোগ্য অসমৰ অত্যাৱশ্যকীয় সেৱাৰ কৰ্মচাৰীসকলৰ নাম উল্লেখ কৰাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অষ্ট্ৰেলিয়া চৰকাৰৰ মানসিক স্বাস্থ্য বিভাগৰ যুৱ উপদেষ্টা পদত অসমকন্যা লখিমপুৰৰ ইপ্সিতা প্ৰতাপে নিযুক্তি লাভৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৯৮০ টন এক্ৰিলিক এচিড কঢ়িয়াই অনা দক্ষিণ কোৰিয়াৰ এখন ৰাসায়নিক টেংকাৰ বুধবাৰে দক্ষিণ-পশ্চিম জাপানৰ এটা দ্বীপৰ পৰা ডুব যোৱাত আঠজন লোকৰ মৃত্যু হোৱাৰ বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম স্থান। এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০

**সমাপ্ত**